**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰ প্ৰদেশৰ বিশাখ শোধনাগাৰত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেচন লিমিটেড চমুকৈ এইচ পি চি এলৰ উন্নীতকৰণ সুবিধাৰ সফল সংযোজনৰ প্ৰশংসা কৰে।
২। পৰীক্ষাৰ্থীসকলে সন্মুখীন হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে চি বি এছ ইয়ে শিক্ষাৰ্থীসকলৰ বাবে মনোস্বাত্বিক-সামাজিক পৰামৰ্শ সহায় ব্যৱস্থা আৰম্ভ কৰিছে।
৩। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি তামিল, তেলেগু, মালায়লম, কানাড়া আৰু ওড়িয়া ভাষাৰ ৫৫খন বিৰল আৰু মূল্যৱান গ্ৰন্থ মুকলি কৰে।
৪। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ কালমাডিৰ আজি পুণেত দেহাৱসান ঘটে।

**আৰু**

৫। কোৱালালামপুৰত চলি থকা মালয়েছিয়া অ'পেন **ছুপাৰ ছেভেন-ফিফ্‌টি** বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেনে পুৰুষৰ ছিংগলছ্‌ৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰ প্ৰদেশৰ বিশাখ শোধনাগাৰত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেচন লিমিটেড চমুকৈ এইচ পি চি এলৰ উন্নীতকৰণ সুবিধাৰ সফল সংযোজনৰ প্ৰশংসা কৰে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীৰ এটা পোষ্ট সামাজিক মাধ্যমত শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই অত্যাধুনিক সুবিধাই আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি দেশ শক্তিক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ প্ৰচেষ্টাক গতি দিছে। তেওঁ লগতে কয়, যে শক্তি, সুৰক্ষা আৰু আত্মনিৰ্ভৰশীলতাৰ দিশত ভাৰতৰ এই যাত্ৰাই এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰী শ্ৰী পুৰীয়ে এই সুবিধাটো থলুৱা অভিযান্ত্ৰিকতাৰ দিশত এটা গুৰুত্বপূৰ্ণ দিশ বুলি অভিহিত কৰে। তেওঁ কয়, যে ইয়াত তিনিটা এল চি মেক্স ৰিয়েক্টৰ আছে আৰু এই সকলোবোৰ দেশৰ ভিতৰতে নিৰ্মাণ আৰু একত্ৰিত কৰা হৈছে।

০০০০০০০০০

পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীসকলে সন্মুখীন হোৱা মানসিক চাপ যাতে নিয়ন্ত্ৰণ কৰিব পৰা যায় তাৰ বাবে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বৰ্ড- চি বি এছ ইয়ে শিক্ষাৰ্থীসকলৰ বাবে মনোবৈজ্ঞানিক পৰামৰ্শ সহায় ব্যৱস্থা আৰম্ভ কৰিছে। দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক অহা পহিলা জুন পৰ্যন্ত এই ব্যৱস্থাৰ অধীনত বিনামূলীয়া পৰামৰ্শ আগবঢ়োৱা হ'ব। পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীসকলে সন্মুখীন হোৱা মানসিক চাপ নিয়ন্ত্ৰণ কৰি সফলতা আৰু আত্মবিশ্বাসেৰে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে তেওঁলোকক সাজু কৰি তোলাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা চি বি এছ ইৰ পৰীক্ষাসমূহ আৰম্ভ হ'ব।

শিক্ষাৰ্থীসকলে শুল্কবিহীন নম্বৰ ১৮০০১-১৮০০৪ ত ফোন কৰি হিন্দী আৰু ইংৰাজীত ২৪ ঘণ্টাই সহায় লাভ কৰিব পাৰিব। এই ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ্থীসকলে কেনেদৰে চাপমুক্ত হৈ পৰীক্ষাৰ প্ৰস্তুতি চলাব পাৰে সেই সন্দৰ্ভত পৰামৰ্শ লাভ কৰাৰ লগতে কেনেদৰে সময় ব্যৱহাৰ কৰিব লাগে সেই সন্দৰ্ভতো পৰামৰ্শ লাভ কৰিব। ইয়াৰ উপৰিও চি বি এছ ইৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ তথ্য আৰু পৰীক্ষাত সচৰাচৰ সোধা প্ৰশ্নসমূহৰ বিষয়েও জানিব পৰা যাব। শিক্ষাৰ্থী আৰু অভিভাৱকসকলক চি বি এছ ইৰ অনুমোদিত বিদ্যালয়সমূহৰ অধ্যক্ষ, পৰামৰ্শদাতা, বিশেষ শিক্ষক আৰু যোগ্য মনোবিজ্ঞানীৰে গঠিত ৭৩ জনীয়া প্ৰতিনিধিয়ে এই গুৰুত্বপূৰ্ণ পৰামৰ্শসমূহ আগবঢ়াব। ইয়াৰ ভিতৰত ৬১ গৰাকী পৰামৰ্শদাতা ভাৰতৰ আৰু আন ১২ গৰাকী নেপাল, জাপান, কাটাৰ, ওমান আৰু সংযুক্ত আৰৱ-আমেৰি ৰাষ্ট্ৰৰ বিশেষজ্ঞ পৰামৰ্শদাতা।

০০০০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি তামিল, তেলেগু, মালায়লম, কানাড়া আৰু ওড়িয়া ভাষাৰ ৫৫খন বিৰল আৰু মূল্যৱান গ্ৰন্থ মুকলি কৰে। কেন্দ্ৰীয় ভাষা প্ৰতিষ্ঠানে এই গ্ৰন্থকেইখন প্ৰকাশ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীপ্ৰধানে কয় যে ভাৰতীয় ভাষাই দেশৰ সমাজ ব্যৱস্থাৰ মাজত সংযোগ স্থাপন কৰাৰ লগতে একতাৰ মনোভাৱ যোগাই তোলে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো ভাৰতীয় ভাষাই যে ৰাষ্ট্ৰীয় ভাষা সেই বিষয়টোত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ লগতে কয় যে যোৱা কেইটামান বছৰত চৰকাৰে পৰ্যায়ক্ৰমে তামিল, তেলুগু, মাৰাঠী, পালি, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

০০০০০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ কালমাডিৰ আজি পুণেত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। তেওঁ দীৰ্ঘদিনধৰি অসুস্থ হৈ আছিল। উল্লেখযোগ্য যে প্ৰক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ কাৰ্যকালত প্ৰয়াত কালমাডিয়ে ৰে'ল ৰাজ্য মন্ত্ৰী কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ভাৰতীয় অলিম্পিক সংস্থাৰ সভাপতিও আছিল। সুদীৰ্ঘ ৰাজনৈতিক জীৱনৰ সময়ছোৱাত প্ৰয়াত কালমাডিয়ে বিভিন্ন গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

নিক'লাছ মাডুৰৰ উপৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা ডেলছি ৰড্ৰিকেজে কালি ভেনেজুৱেলাৰ অন্তবৰ্তীকালীন ৰাষ্ট্ৰপতি হিচাপে তেওঁক নেচনেল এছেম্বলিৰ নেতা তেওঁৰ ভাতৃ জৰ্জ ৰড্ৰিকেজে শপত বাক্য পাঠ কৰোৱায়। ডেলছি ৰড্ৰিকেজে ২০১৮ চনৰ পৰা মাজুৰৰ উপৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু ভেনেজুৱেলাৰ তেলৰ ওপৰত নিৰ্ভৰশীল অৰ্থনীতি আৰু দেশখনৰ চোৰাংচোৱা সেৱাৰ দিশটো চোৱাচিটা কৰিছিল। ২০১৪ চলৰ পৰা ২০১৭ চনলৈ তেওঁ দেশখনৰ বিদেশ মন্ত্ৰী আছিল।

০০০০০০০০০

ঘন কুঁৱলীৰ বাবে দেশৰ বিভিন্ন অংশত ৰে'লসেৱা বিঘ্নিত হৈছে। ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে দিল্লী অভিমুখী ৭০ খন ৰে'লগাড়ীৰ যাত্ৰাৰ সময় পিছুৱাই দিয়া হৈছে। যিকোনোধৰণৰ অসুবিধা পৰিহাৰ কৰিবৰ বাবে যাত্ৰীসকলক ৰে'লযাত্ৰাৰ শেহতীয়া সময় তালিকাত দৃষ্টি ৰাখিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা EPFOক অহা চাৰি মাহৰ ভিতৰত কৰ্মচাৰী ভৱিষ্য নিধি যোজনা EPFSৰ অধীনত দৰমহাৰ সীমা সংশোধন সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। বিগত ১১ বছৰ ধৰি কৰ্মচাৰীসকলৰ বেতন অপৰিৱৰ্তিত হৈ আছে। ন্যায়াধীশ জে কে মাহেশ্বৰী আৰু অতুল এছ ছন্দুৰকাৰক লৈ গঠিত এখন বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশ জাৰি কৰে।

উল্লেখযোগ্য যে, দৰমহাৰ সৰ্বোচ্চ সীমাৰ কোনো পৰিৱৰ্তন নকৰাৰ ফলত শ্ৰমিকসকলৰ এটা বৃহৎ বৰ্গ EPFOৰ বাহিৰত থাকি গৈছে। সামাজিক কল্যাণ আঁচনি EPFSৰ উদ্দেশ্যে হৈছে সংগঠিত খণ্ডৰ কৰ্মচাৰীসকলক সামাজিক সুৰক্ষা প্ৰদান কৰা। সংবিধানৰ ৩২ নম্বৰ দফাৰ অধীনত দাখিল কৰা এই ৰাজহুৱা আৱেদনখনৰ জৰিয়তে প্ৰতি মাহে ১৫ হাজাৰ টকাৰ সৰ্বোচ্চ দৰমহা পক্ষপাতমূলক আৰু অযুক্তিকৰ বুলি কোৱা হৈছিল। দৰমহা বৃদ্ধিৰ লগত মুদ্ৰাস্ফীতি, নূন্যতম বেতন বা প্ৰতিজন ব্যক্তিৰ আয় বৃদ্ধিৰ সৈতে কোনো সম্বন্ধ নাই বুলিও আৱেদনখনত যুক্তি দিয়া হৈছে।

০০০০০০০০০

দিল্লীৰ আদৰ্শ নগৰৰ ডি এম আৰ চি আবাসিক এলেকাৰ এটা ঘৰত সংঘটিত অগ্নিকাণ্ডত এটা দম্পত্তি আৰু তেওঁলোকৰ ১০ বছৰীয়া এজনী ছোৱালী অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। অগ্নি নিৰ্বাপক বাহিনীৰ সূত্ৰত প্ৰকাশ যে বিভাগটোৱে পুৱতিনিশা ডি এম আৰ চি আবাসিক এলেকাৰ এটা ঘৰত জুই লগাৰ খবৰ লাভ কৰে। ইয়াৰ পাছতে বিভাগটোৰ ৫খন জুই নুমুওৱা বাহন ঘটনাস্থলীত উপস্থিত হয় আৰু এঘণ্টাৰ ভিতৰতে জুই নুমুৱাবলৈ সমৰ্থ হয়।

০০০০০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ আৰক্ষী সঞ্চালকপ্ৰধান ৰাজীৱ কুমাৰক যোৱা ৩০ ডিচেম্বৰত নিৰ্বাচনী পৰ্যবেক্ষক চি মুৰুগানৰ ওপৰত হোৱা আক্ৰমণৰ শাস্তিমূলক ব্যৱস্থাৰ গ্ৰহণৰ প্ৰতিবেদন আজি বিয়লি ৫ বজাৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দিছে। পশ্চিমবংগৰ দক্ষিণ চৌবিবশ পৰগণা জিলাত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ বাবে কৰ্তব্যৰত সময়ত শ্ৰী মুৰুগানৰ ওপৰত আক্ৰমণ সংঘটিত হৈছিল। এই আক্ৰমণত তেওঁৰ বাহনখনৰো যথেষ্ট ক্ষতি হয়।

০০০০০০০০০

জাপানৰ পশ্চিমাংশত আজি এটা শক্তিশালী ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয় যদিও বৃহৎ ক্ষয়-ক্ষতি হোৱাৰ পৰা দেশখন ৰক্ষা পৰে। জাপানৰ বতৰ বিজ্ঞান সংস্থাৰ মতে ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৬ দশমিক ২। জাপানৰ উত্তৰ-পশ্চিম অঞ্চলৰ সীমানেত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল বুলি জানিব পৰা গৈছে। সংস্থাটোৱে কয়, যে এই ভূমিকম্পৰ ফলত কোনোধৰণৰ ক্ষয়-ক্ষতিৰ বাতৰি অহা নাই। একেদৰে সীমানে পাৰমাণৱিক প্ৰকল্পতো কোনোধৰণৰ ক্ষয়-ক্ষতি হোৱা নাই বুলি পাৰমাণৱিক নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ সূত্ৰত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে জাপান হৈছে পৃথিৱীৰ ভূমিকম্প প্ৰৱণ অঞ্চলসমূহৰ অন্যতম।

০০০০০০০০০

কোৱালালামপুৰত চলি থকা মালয়েছিয়া অ'পেন **ছুপাৰ ছেভেন-ফিফ্‌টি** বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেনে পুৰুষৰ ছিংগলছ্‌ৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰত্যাহ্বানপূৰ্ণ খেলখনত লক্ষ্যই ছিংগাপুৰৰ জিয়া হেং জেছন টেহক ২১-১৬, ১৫-২১, ২১-১৪ ফলাফলত পৰাস্ত কৰে। লক্ষ্যই তেওঁৰ পৰৱৰ্ত্তী খেলত বিশ্বৰ ষষ্ঠ স্থানৰ খেলুৱৈ ফ্ৰান্সৰ ক্ৰিষ্টো প'প'ভ অথবা হংকঙৰ লী শ্বিউক য়ুৰ বিৰুদ্ধে খেলিব। ইপিনে, মহিলাৰ ছিংগলছ শাখাত মাল্‌বিকা বানছোড় থাইলেণ্ডৰ ৰাতছান'ক ইণ্টাননৰ হাতত পৰাস্ত হয়। প্ৰতিযোগিতাৰ কিছু সময় পাছত ভাৰতৰ আয়ুষ ছেট্টীয়ে মালয়েছিয়াৰ লী জি জিয়াৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছ্‌ শাখাৰ অ'পেনিং ৰাউণ্ড মেচত এম আৰ অৰ্জুন আৰু হৰিহৰণ আম্‌ছাকৰোনানে জাপানৰ হিৰোকি মিডোৰিকাৱা আৰু কিয়োহি য়ামাছিতাৰ বিৰুদ্ধে খেলিব।

০০০০০০০

সমাপ্ত